জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩৭/২০২০

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈৰ জীৱন আৰু কৰ্মৰাজি আলোকপাত কৰি প্ৰস্তুত কৰা অভিনন্দন গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## গুৰুজনাৰ সৃষ্টিত সৌন্দৰ্য আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য কমলাকান্ত গগৈৰ জীৱন আৰু কৰ্মৰাজি আলোকপাত কৰি প্ৰস্তুত কৰা 'বিচ্ছুৰিত আভা' নামৰ অভিনন্দন গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে গুৰুজনাৰ সৃষ্টিত সৌন্দৰ্য আছে। এই সৌন্দৰ্যই মানুহৰ মন আৰু শৰীৰ পৰিষ্কাৰ কৰে। আমাৰ উঠি অহা প্ৰজন্মক গুৰুজনাৰ আদৰ্শ আৰু অমৰ বাণীৰে আগুৱাই লৈ যাব লাগিব। মানুহ হিচাপে ব্যক্তিত্ব নিৰ্মাণত যিবোৰ গুণৰাশিৰ প্ৰয়োজন সেইসমূহ গুৰুজনাই আমাক দি গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিজ্ঞান আৰু প্ৰযুক্তিয়ে আমাৰ আশা-আকাংক্ষা বৃদ্ধি কৰিছে। ইয়াৰ বিপৰীতে সহিষ্ণুতাৰ গুণ কমি গৈছে। যুক্তিসংগতভাৱে বিষয়সমূহ গ্ৰহণৰ বাবে মানুহৰ সময়ৰ নাটনি হৈছে। মানুহে বিবেকৰ দ্বাৰা বিবেচনা কৰি আগুৱাই যাব লাগিব। জীৱনৰ কঠিন প্ৰত্যাহ্বান অতিক্ৰমি আগুৱাই যোৱাৰ বাবে যি আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে তাক অনুসৰণ কৰিব লাগিব। ভক্তিভাৱেৰেহে জীৱন সফল কৰিব পৰা যায় বুলি তেওঁ কয়। গুৰুজনাৰ কৰ্মৰাজি আৰু আদৰ্শ গৱেষণা কৰাৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰিব লাগিলে গৱেষণালব্ধ পদ্ধতিৰে আমি আগুৱাই যাব লাগিব। গুৰুজনাৰ অমৰ সৃষ্টিত মানৱতাৰ লগতে প্ৰাকৃতিক জগতখনৰো বিষয়সমূহ বিচাৰি পোৱা যায়। শ্ৰীমন্ত শংকৰদেৱ সংঘই গুৰুজনাৰ আদৰ্শ আৰু কৰ্মৰাজি প্ৰসাৰ আৰু প্ৰচাৰ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে ভাল মানুহ গঢ়াৰ যাত্ৰাত অধিক দৃঢ়তাৰে মনোনিৱেশ কৰিব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে শিক্ষাৰ লগতে সংঘক শক্তিশালী কৰাৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘই ইয়াৰ প্ৰতিষ্ঠা শতবৰ্ষ উপলক্ষে প্ৰকাশ কৰিবলগীয়া এশখন গ্ৰন্থৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে উদগণি দিয়াৰ উদ্দেশ্যেৰে সহযোগ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, প্ৰধান সম্পাদক বাবুল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়িকা আঙুৰলতা ডেকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ তথা মুখ্য উপদেষ্টা ভৱেন্দ্ৰ নাথ ডেকা, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে সংঘৰ বিষয়ববীয়া আৰু অন্যান্য লোকসকল উপস্থিত থাকে।

**পুঃডেঃ**
৬/১১/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in